**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 21-08-2025**
**Time :** 1800 Hrs

***Assamese Evening Bulletin***
**----------------------------**
०००००० 

ৰাজ্যৰ ১৮ বছৰ ঊৰ্ধৰ লোকসকলক অক্টোবৰৰ পৰা নতুনকৈ আধাৰকাৰ্ড প্ৰদান কৰা নহ'ব। কইনাধৰাত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সংবাদমেলযোগে  এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অনুসূচিত জাতি-জনজাতি আৰু চাহ জনগোষ্ঠীৰ লোকসকলক এই ক্ষেত্ৰত এবছৰৰ বাবে শিথিলতা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আধাৰকাৰ্ড নথকা লোকসকলক ছেপ্তেম্বৰৰ ভিতৰত আবেদন কৰিবলৈ সংবাদমেলত আহ্বান জনায়। ইয়াৰ পাছত অত্যন্ত জৰুৰী হ'লে সাধাৰণ লোকে জিলা আয়ুক্তৰ অনুমতি সাপেক্ষেহে আধাৰকাৰ্ডৰ বাবে আবেদন কৰিব পাৰিব বুলি তেওঁ কয়। ৰাজ্যত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ প্ৰৱেশ ৰোধ কৰাৰ লক্ষ্যৰে এই পদক্ষেপ লোৱা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। কোনো অনুপ্ৰৱেশকাৰীয়ে অসমত আধাৰকাৰ্ডৰ সুবিধা লৈ ভাৰতীয় নাগৰিক হ'ব নোৱাৰে তাৰ বাবে অসম মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰে।

উৰিয়ামঘাটৰ উচ্ছেদিত ১২ হাজাৰ বিঘা ভূমিত গছপুলি ৰোপণ কৰাৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়। অসম মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যৰ প্ৰায় ৩ লাখ ১৫ হাজাৰ হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ বাসগৃহ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভৱিষ্যতৰ ১০টা গুৰুত্বপূৰ্ণ খণ্ডত শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে টাটা নেলকো আৰু সমগ্ৰ শিক্ষা অভিযানৰ সৈতে বুজাবুজিৰ চুক্তিত অনুমোদন জনাইছে। দীঘলীপুখুৰী-নুনমাটি উৰণ সেতুৰ নাম মহাৰাজা **পৃথু উৰণ সেতু** হিচাপে নামকৰণ কৰা হ'ব বুলি মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

সংকটৰ সময়ত ভূ-ৰাজনৈতিক পৰিস্থিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি সংবাদমেলত উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চিকেন নেক অৰ্থাৎ উত্তৰ-পূবক দেশৰ মূল ভূ-খণ্ডৰ সৈতে সংযোগ কৰা উত্তৰ বংগৰ ঠেক অংশৰ আশে-পাশে থকা লোকসকলৰ ভাৰধাৰা সলনি কৰাৰ বাবে বাংলাদেশৰ পৰা ষড়যন্ত্ৰ চলি আছে। অনাগত ২০ বছৰ অসমৰ বাবে জটিল সময় বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ড০ শৰ্মাই লগতে কেন্দ্ৰীয় মন্ত্ৰীসভাই গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এম স্থাপনত অনুমোদন জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নৱজাতকৰ মৃত্যু সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ঘটনাটো চালিজাৰি চোৱাৰ বাবে এখন তিনিজনীয়া সমিতি গঠন কৰা হৈছে আৰু সমিতিখনে ৪-৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।

০০০০০০০

ধেমাজিৰ জিলা আৰু ছেছন আদালতে আজি মৰিচল মহাবিদ্যালয়ৰ ছাত্ৰী নন্দিতা শইকীয়াৰ হত্যাৰ গোচৰত অপৰাধী ৰিণ্টু শৰ্মাক মৃত্যু দণ্ডৰে দণ্ডিত কৰে। মুঠ ৪১ জন লোকৰ সাক্ষ্যৰ ভিত্তিত ৪ বছৰজোৰা বিচাৰৰ অন্তত জিলা আৰু ছেছন ন্যায়াধীশ কল্যাণজিৎ শইকীয়াই কালি অভিযুক্ত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰে। আজি আদালতে দোষীৰ শাস্তি ঘোষণা কৰে। উল্লেখযোগ্য যে ৰিণ্টু শৰ্মাই ২০২১ চনৰ ২১ আগষ্টত পৰিকল্পিতভাৱে নন্দিতা শইকীয়াক আক্ৰমণ কৰিছিল। পৰৱৰ্তী সময়ত ধেমাজি আৰক্ষীয়ে এই গোচৰ সন্দৰ্ভত ৰিণ্টু শৰ্মাৰ বিৰুদ্ধে ৪০০ পৃষ্ঠাজোৰা অভিযোগনামা দাখিল কৰে। আদালতে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২, ৩০৭, ৩২৬ আৰু ৩৪৭ নম্বৰ ধাৰাত ৰিণ্টু শৰ্মাক দোষী সাব্যস্ত কৰি মৃত্যুদণ্ডৰে দণ্ডিত কৰে।

০০০০০০০

বিশ্বনাথ জিলাৰ চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকা ৪৩৩টা পৰিয়াললৈ জিলা প্ৰশাসনে উচ্ছেদৰ জাননী জাৰি কৰিছে। পৰিয়ালকেইটাক ১৫ দিনৰ ভিতৰত সেই ঠাই ত্যাগ কৰিবলৈ কোৱা হৈছে। জিলাখনৰ নিজ বাঘমাৰী গাঁৱৰ গোপচাৰৰ ২৬৫ বিঘা ভূমিত উচ্ছেদ চলোৱা হ'ব।

ইপিনে, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দখলিকৃত ভূমি দখলমুক্ত নোহোৱা পৰ্যন্ত ৰাজ্য চৰকাৰে উচ্ছেদ অভিযান চলাই যাবলৈ নিজৰ স্থিতিত অটল হৈ আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি বিশ্বনাথ জিলা ভ্ৰমণৰ সময়ত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এইক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট আৰু দখলিকৃত ভূমি সম্পূৰ্ণৰূপে উচ্ছেদ নোহোৱা পৰ্যন্ত অভিযান চলাই থকা হ'ব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে বিগদত বৰ্ষৰ দৰে এইবাৰো সমগ্ৰ দেশৰ কৃষিভূমিৰ জৰীপ চলাবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে যোৰহাট জিলাত জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ উদ্যোগত ১৬ আগষ্টৰ পৰা ডিজিটেল শস্য জৰীপ, খাৰিফ-২০২৫ আৰম্ভ হৈছে। ইয়াৰ অধীনত আজি উত্তৰ-পশ্চিম যোৰহাটত জৰীপ চলোৱা হয়।

ডিজিটেল শস্য জৰীপ খাৰিফ-২০২৫ৰ জৰিয়তে কৃষকসকলৰ সামগ্ৰিক কল্যাণৰ উদ্দেশ্যে প্ৰযুক্তি ব্যৱস্থাৰ জৰিয়তে কৰা কৃষিজাত শস্যৰ তথ্য সংগ্ৰহৰ দিহা কৰা হৈছে। শস্য উৎপাদনৰ সঠিক তথ্যৰ পূৰ্বানুমান আৰু উন্নত পৰিকল্পনা, সংগৃহীত তথ্যৰ ভিত্তিত কৃষি নীতি প্ৰস্তুত কৰা জলসিঞ্চন আৰু শস্য উৎপাদন সম্পৰ্কীয় বিভিন্ন সিদ্ধান্ত গ্ৰহণত এই জৰীপ ব্যৱস্থাই সহায় কৰিব।

০০০০০০০

চাহ বাগিচাৰ শ্ৰমিকসকলে অহা ১০ ছেপ্তেম্বৰৰ ভিতৰত দুৰ্গা পূজাৰ বানছ লাভ কৰিব লাগিব বুলি কাছাৰ জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। কাছাৰ জিলা আয়ুক্ত মৃদুল যাদৱৰ নেতৃত্বত আজি অনুষ্ঠিত এখন সভাত এই সন্দৰ্ভত নিৰ্দেশ দিয়া হৈছে। বাগিচাসমূহৰ কৰ্তৃপক্ষই অহা ৩১ আগষ্টৰ ভিতৰত বানছ ঘোষণা কৰিব লাগিব বুলি জিলা প্ৰশাসনে নিৰ্দেশ দিছে। ঘোষিত বানছ যোৱা বছৰৰ তুলনাত কম হ'ব নোৱাৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে সভাত স্পষ্ট কৰি দিয়ে। চাহ শ্ৰমিকসকলে সময়মতে কোনো সমস্যা নোহোৱাকৈ বানছ লাভ কৰিবলৈ সকলো পক্ষকে একেলগে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে সভাত বানছ বিতৰণৰ লগতে আইন শৃংখলা বজাই ৰাখিবলৈ প্ৰশাসন আৰু আৰক্ষীক বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত প্ৰশাসনৰ লগতে আৰক্ষী, বেংক, শ্ৰম বিভাগ আৰু চাহ শ্ৰমিক সংগঠনৰ প্ৰতিনিধিও উপস্থিত থাকে।

০০০০০০০০

**সমাপ্ত**